




# দিছপুৰ মহাবিদ্যালয়ত ৪৭সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

গুৱাহাটী, ২৯ আগষ্ট ঃ দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাংগণত কালি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪৭সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়। পুৱা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই পতাকা উত্তোলন আৰু উপাধ্যক্ষা ইন্দ্ৰাণী চৌধুৰী মহন্তই ছহিদ তৰ্পণ কৰি কাৰ্যসূচী আৰম্ভ কৰে। প্ৰতিষ্ঠা দিৱসৰ আহ্বায়ক ড° জ্যোতিষ গোস্বামীৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানটোত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বৰ্ণালী বৰাই আঁতধৰাৰ লগতে মুকলি সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বৰাই যিসকল বৰেণ্য ব্যক্তিৰ উদ্যোগ তথা কষ্টৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই কয় যে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু কৌশল একত্ৰীকৰণৰ জৰিয়তে সামগ্ৰিক বিকাশ ঘটাই ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মনোভাবক প্ৰাধান্য দি মানৱ সম্পদ গঢ় দিয়াটো মহাবিদ্যালয়ৰ উদ্দেশ্য। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে মানুহৰ জীৱনৰ প্ৰতিটো ক্ষণ বহুমূলীয়া বুলি মত পোষণ কৰি সাধনাক জীৱনৰ ব্ৰতৰূপে লৈ আগবাঢ়িবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে কয়। সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক তথা বুৰঞ্জী বিভাগৰ প্ৰাক্তন অধ্যাপক ৰাজীৱ সন্দিকৈয়ে ৰাষ্ট্ৰীয় শিক্ষানীতি ঃ ২০২০ৰ বিষয়ে প্ৰাচীন জ্ঞান পৰম্পৰাৰ পৰা খৰচী মাৰি বৰ্ণনা কৰে। ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ জ্ঞানতে সীমাবদ্ধ নাৰাখি সৰ্বাংগীন বিকাশৰ জ্ঞান দিয়াহে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল উদ্দেশ্য বুলি অধ্যাপক সন্দিকৈয়ে বক্তব্য ৰাখে। উক্ত সভাতেই নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা অধ্যাপিকা চন্দনা শৰ্মা আৰু দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অমৰ শইকীয়া। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰেৰণা'ৰ লগতে দিছপুৰ মহাবিদ্যালৰ বাৰ্ষিক আলোচনী 'দিশপুৰীয়ান', অসমীয়া বিভাগৰ হাতে লিখা আলোচনী 'প্ৰবাহ' আৰু দিছপুৰ মহাবিদ্যালয় প্ৰকাশন পৰিষদৰ উদ্যোগত আইকেএছ কেন্দ্ৰৰ পৰা দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা ড° মামনি কলিতাৰ সম্পাদনাত 'ইণ্ডিয়ান ন'লেজ ছিষ্টেম ঃ ফিল'ছ'ফী, ছায়েন্স এণ্ড কালচাৰ', মহিলা কোষৰ পৰা অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ড° মনালিছা ভট্টাচাৰ্যৰ সম্পাদনাত 'ৱ'মেন এণ্ড আছাম', বুৰঞ্জী বিভাগৰ পৰা চেবলিন ইংমাইপিৰ সম্পাদনাত 'মেম'ৰী, আইডেণ্টিটী এণ্ড হিষ্ট'ৰী', ইংৰাজী বিভাগৰ পৰা ড' বিনয় চেতিয়াৰ সম্পাদনাত'মেম'ৰী ঃ আনচাৰ্টেড টেৰিট'ৰিজ' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত সভাতেই ২০২৪-২৫ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক, শ্ৰেষ্ঠ পুথিভঁৰাল পঢ়ুৱৈ, শ্ৰেষ্ঠ বিভাগ, শ্ৰেষ্ঠ এনএছএছ ভলণ্টিয়াৰ বঁটা আদিও প্ৰদান কৰা হয়। জাতীয় সংগীতেৰে সামৰণি পেলোৱা মুকলি সভাৰ পৰৱৰ্তী সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীৰ সহযোগত দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° সুনীতা আগৰৱালাই ৪৭সংখ্যক দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ বন্তি প্ৰজ্বলন কৰি দিনজোৰা কাৰ্যসূচীৰ সামৰণি পেলায়।